# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫১/২০২৩**

## আৰক্ষী অধীক্ষকসকলৰ চতুৰ্থখন সন্মিলনত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

## পূৰ্বৰ তুলনাত অসম আৰক্ষীয়ে যথেষ্ট সক্ৰিয়তাৰে কৰ্মত নিয়োজিত হৈ আহিছে ঃ মুখ্যমন্ত্ৰী

**চাইবাৰ ক্ৰাইম পুলিচ ষ্টেশ্যন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

**অসম আৰক্ষী আৰু মাইক্ৰ' চফট, ইণ্ডিয়ান ফিউচাৰ ফাউণ্ডেশ্যনৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ**

**দেশভক্তি দিৱস উপলক্ষে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

**দিছপুৰ, ২৮ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বঙাইগাঁৱস্থিত অসম আৰক্ষী সন্মিলন কক্ষত অনুষ্ঠিত আৰক্ষী অধীক্ষকসকলৰ চতুৰ্থখন সন্মিলনত অংশগ্ৰহণ কৰে।

সন্মিলনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ তুলনাত অসম আৰক্ষীয়ে যথেষ্ট সক্ৰিয়তাৰে কৰ্মত নিয়োজিত হৈ আহিছে। আৰক্ষী বাহিনী শক্তিশালীকৰণৰ ওপৰত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। আৰক্ষী বাহিনীক অধিক শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে ৫ টা কামাণ্ডো বেটেলিয়ন গঠন কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে যোৱা দুবছৰত ১৫ হাজাৰ যুৱক-যুৱতীক অসম আৰক্ষীত নিযুক্তি প্ৰদান কৰা হৈছে। ড্ৰাগছ বিৰোধী অভিযান, দুৰ্নীতিৰ বিৰুদ্ধে অভিযানত অসম আৰক্ষীয়ে বিশেষ সফলতা লাভ কৰাৰ কথা ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা দুটা বছৰত মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। মুখ্যমন্ত্ৰীয়ে অহা পহিলা অক্টোবৰৰ পৰা জি ডি এণ্ট্ৰীৰ ক্ষেত্ৰত মেনুৱেল ডায়েৰী ব্যৱহাৰ নকৰিবলৈও আৰক্ষী বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে পথ দুৰ্ঘটনা ৰোধৰ বাবে সুৰা বা নিচাসক্ত চালকৰ বিৰুদ্ধে জৰিমনা বিহাৰ লগতে জিলা প্ৰশাসনৰ সৈতে আলোচনা কৰি অনুজ্ঞাপত্ৰ বাতিলৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আৰক্ষী থানাসমূহত নিয়োজিত আৰক্ষী বিষয়া আৰু জোৱানসকলক মাৰ্জিত ভাষা ব্যৱহাৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। দুটা ধৰ্মৰ যুৱক-যুৱতীৰ মাজত বিবাহ হ'লে বিশেষ বিবাহ আইন কাৰ্যকৰী কৰাৰ ওপৰত বিশেষ দৃষ্টি ৰাখিবলৈও আৰক্ষী বাহিনীক নিৰ্দেশ দিয়ে। শান্তি-শৃংখলা অটুত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে গাঁওৰক্ষী বাহিনী, হোমগাৰ্ড, নাগৰিক সমিতি, ব্যক্তিগত নিৰাপত্তা ৰক্ষীৰ নিয়োজন আদিৰ সংস্কাৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ আগবঢ়ায়।

মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষী অধীক্ষকসকলে নিজৰ ব্যক্তিগত ছবিখন সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ প্ৰৱণতাৰ পৰিৱৰ্তে আৰক্ষী বাহিনীৰ ভাৱমূৰ্তি অধিক উজ্বল কৰাৰ বাবে কাম কৰিব লাগিব। তেওঁ লগতে কয় যে ৰহিংগীয়া শৰণাৰ্থীসকলে কাশ্মীৰলৈ যোৱাৰ বাবে অসমক কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰাটো বন্ধ কৰিব লাগিব। তেওঁ কয় যে ৰে'ল যোগে এই সকল শৰণাৰ্থী যোৱা ব্যৱস্থাটো বন্ধ কৰাৰ বাবে ৰেল ষ্টেশ্যনসমূহত চোকা দৃষ্টি ৰাখিব লাগিব। অবৈধভাৱে মদ সৰবৰাহ বন্ধ কৰাৰ বিষয়টো উল্লেখ কৰি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে সীমান্তৱৰ্তী ৰাজ্যৰ কাষত থকা জিলাসমূহৰ আৰক্ষী অধীক্ষকসকলক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। বাৰ্মিজ চুপাৰী ট্ৰাকেৰে অহাটো বন্ধ হৈছে যদিও চোৰাং সৰবৰাহকাৰীসকলে চাইকেল আৰু স্কুটাৰেৰে চলাই থকা অবৈধ ব্যৱসায় বন্ধ কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰাৰ পিছত দোষী সাব্যস্ত কৰিব পৰাকৈ আইনগত দিশত সক্ৰিয়তাৰে কাম কৰিব লাগিব। চৰকাৰে এই ক্ষেত্ৰত অধিৱক্তা নিয়োগ কৰি সহযোগিতা আগবঢ়াব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত উচ্চশিক্ষিত যুৱক-যুৱতীসকলক অপৰাধ অনুসন্ধানৰ কামত নিয়োজিত কৰিবলৈও যথোচিত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই সন্মিলনত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে আজি এই সন্মিলনতে 'কম্পেনডিয়াম অৱ এছ অ' পি এছ, কাৰিকুলাম এণ্ড গাইডলাইনচ অন ইনভেষ্টিগেশ্যন এণ্ড প্ৰচিকিউশ্যন' আৰু 'হেণ্ডবুক ফৰ ইনভেষ্টিগেটিং অফিচাৰ্চ অৱ ডিচপ্ৰপৰচনেট এছেট কেছেচ্' শীৰ্ষক দুখন গ্ৰন্থও মুকলি কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে অসম পুলিচ স্পেচিয়েল টাস্কফ'ৰ্চ আৰু ভিলেজ ডিফেন্স অৰ্গনাইজেশ্যনৰো লগ' মুকলি কৰে।

মুখ্যমন্ত্ৰীয়ে সন্মিলন কেন্দ্ৰত দুটা চাইবাৰ ক্ৰাইম পুলিচ ষ্টেশ্যনো উদ্বোধন কৰে। ৰাজ্যিক ভিত্তিক পৰিসীমাৰে চি আই ডিৰ মুখ্য কাৰ্যালয়ত আৰু গুৱাহাটী মহানগৰীৰ পৰিসৰত গুৱাহাটী চিটি কমিছনাৰেটৰ বাবে এই দুটা চাইবাৰ ক্ৰাইম পুলিচ ষ্টেশ্যন উদ্বোধন কৰে। পৰৱৰ্তী পৰ্যায়ত উজনি অসমৰ জিলাসমূহৰ লগতে ডিব্ৰুগড় আৰু বৰাক উপত্যকাৰ জিলাসমূহ সামৰি অনুৰূপ ধৰণৰ দুটা চাইবাৰ আউটপ'ষ্ট গঢ়ি তোলা হ'ব। এই চাইবাৰ পুলিচ ষ্টেশ্যন আৰু চাইবাৰ আউটপ'ষ্ট সমূহত অত্যাধুনিক চাইবাৰ ফৰেনছিক ব্যৱস্থাৰে সামৰি লোৱা হ'ব। ইয়াৰ বাবে অনুসন্ধানকাৰী বিষয়াসকলক বিশেষভাৱে নিৰ্বাচিত কৰি নতুন দিল্লীৰ নেশ্যনেল চাইবাৰ ক্ৰাইম প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই চাইবৰ পুলিচ ষ্টেশ্যনসমূহে চাইবাৰ অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব পাৰিব। আনহাতে মুখ্যমন্ত্ৰীয়ে আজি জনসাধাৰণক অধিক সেৱা আগবঢ়াব পৰাকৈ এম পাছপ'ৰ্ট পুলিচ এপ' মুকলি কৰে। এই ব্যৱস্থাই পাছপ'ৰ্ট প্ৰদানৰ ক্ষেত্ৰত আৰক্ষীৰ নিৰীক্ষণ ব্যৱস্থাটোক অধিক দ্ৰুত কৰি তুলিব। ইতিমধ্যে এম পাছপ'ৰ্ট পুলিচ এপ'ৰ জৰিয়তে ১,৫৬,০২৪ খন আবেদন আৰক্ষী নিৰীক্ষণ ব্যৱস্থাৰে সামৰি লোৱা হৈছে।

আনহাতে আজি বঙাইগাঁৱৰ অসম আৰক্ষী সন্মিলন কক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম আৰক্ষী আৰু মাইক্ৰ' চফট, ইণ্ডিয়ান ফিউচাৰ ফাউণ্ডেশ্যনৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। এই চুক্তিৰ জৰিয়তে চাইবাৰ চিকিউৰিটি আৰু ডিজিটেল চিকিউৰিটিক সামৰি লৈ অসম আৰক্ষীক এই ক্ষেত্ৰত আধুনিক ব্যৱস্থাৰে আগুৱাই লৈ যোৱা হ'ব।

ইয়াৰ পূৰ্বে সন্মিলন কক্ষত মুখ্যমন্ত্ৰীয়ে দেশভক্তি দিৱস উপলক্ষে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

**হেঃশঃ**

**২৮/০৭/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in